জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩৬৬/২০২০**

# পি এম কিষাণ নিধি আঁচনিৰ বিসংগতি তদন্তৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

## অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱাৰ ওপৰত এই তদন্তৰ ভাৰ অৰ্পণ

### এমাহৰ ভিতৰত প্ৰতিবেদন দাখিলৰ নিৰ্দেশ

**দিছপুৰ, ১৮ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি পি এম কিষাণ নিধি আঁচনিৰ ৰূপায়ণত অনিময় হোৱা বুলি উত্থাপিত বিষয় তদন্ত কৰাৰ বাবে নিৰ্দেশ দিছে। ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱাক এই বিসংগতিপূৰ্ণ তালিকা প্ৰস্তুতৰ বিষয়টো পুংখানুপুংখভাৱে তদন্ত কৰি ইয়াৰ প্ৰতিবেদন এমাহৰ ভিতৰত দাখিলৰ বাবেও নিৰ্দেশ দিয়া হৈছে।

এই আঁচনিৰ ৰূপায়ণত হোৱা বিসংগতিৰ অভিযোগ সন্দৰ্ভত ৰাজ্যখনৰ সকলোবোৰ জিলাৰ উপায়ুক্তসকলক তালিকাৰ শুদ্ধতা, হিতাধিকাৰীৰ যোগ্যতাৰ শুদ্ধতা, বেংক একাউন্টৰ বিৱৰণৰ গ্ৰহণযোগ্যতা ইত্যাদি বিষয়সমূহ পুনৰীক্ষণ কৰাৰ বাবেও নিৰ্দেশ দিয়া হৈছে। উপায়ুক্তসকলক চক্ৰ বিষয়া, লাট মণ্ডল, গাঁওবুঢ়া ইত্যাদিৰ জৰিয়তে গাঁওভিত্তিক তালিকাৰ পুনৰীক্ষণ কৰাৰ বাবেও নিৰ্দেশ দিয়া হৈছে। তদুপৰি সন্দেহযুক্ত অন্তৰ্ভুক্তি বাতিলকৰণেৰে গ্ৰহণযোগ্য বেংক একাউন্টসহ শুদ্ধ হিতাধিকাৰীৰ তালিকা প্ৰস্তুত নোহোৱা পৰ্যন্ত আঁচনিৰ ধন আগলৈ মুকলি কৰি নিদিয়াৰ বাবেও উপায়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে।

**পুঃডেঃ / স্বাঃ ডেঃ / বঃভাঃ / প্ৰঃকুঃবঃ**
**১৮/৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in